# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-02-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ছ্'ল লীডাৰশ্বিপ শীৰ্ষ সন্মিলনৰ প্ৰথম সংস্কৰণ মুকলি কৰিব।

২। উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যক ২০২৭ চনৰ ভিতৰত ৰে'ল আৰু বিমান সেৱাৰে দিল্লীৰ সৈতে সংযুক্ত কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ জটিলতা, কেন্দ্ৰীভূত যোগান শৃংখলা, ব্যৱসায় আৰু বাণিজ্যক অস্ত্ৰ হিচাপে ব্যৱহাৰ তথা তথ্য প্ৰৱাহৰ স্বচ্ছতাক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে।

৪। ভাৰতে আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত নিজৰ প্ৰথমখন খেলত বাংলাদেশক ৬ উইকেটত পৰাস্ত কৰিছে।

*আৰু*

৫। পংকজ আদৱানীয়ে দোহাত অনুষ্ঠিত চতুৰ্দশ এছিয়ান স্নুকাৰ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ছ্'ল লীডাৰশ্বিপ শীৰ্ষ সন্মিলনৰ প্ৰথম সংস্কৰণ মুকলি কৰিব। এই সন্মিলনত ভূটানৰ প্ৰধানমন্ত্ৰী ডাশ্বো ছেৰিং টোবগেই মুখ্য অতিথি হিচাপে মূল ভাষণ প্ৰদান কৰিব। এই দুদিনীয়া সন্মিলনে ৰাজনীতি, ক্ৰীড়া, কলা আৰু সংবাদ মাধ্যম, আধ্যাত্মিক জগত, ৰাজহুৱা নীতি, ব্যৱসায় আৰু সামাজিক খণ্ডৰ দৰে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক নিজৰ প্ৰেৰণাদায়ক জীৱনযাত্ৰাৰ কথা ভগাই লোৱাৰ মঞ্চ প্ৰদান কৰিব। সন্মিলনখনে সহযোগিতা আৰু চিন্তাধাৰাকেন্দ্ৰিক নেতৃত্বৰ বাবে অনুকূলতন্ত্ৰৰ প্ৰসাৰত সহায় কৰিব। ইয়াৰ জৰিয়তে বিফলতা আৰু সফলতা উভয়ৰে পৰা শিক্ষা লাভৰ সুযোগ পোৱা যাব। এনে শিক্ষাই সন্মিলনত ভাগ লোৱা যুৱ শ্ৰোতাসকলক অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যক ২০২৭ চনৰ ভিতৰত ৰে'ল আৰু বিমান সেৱাৰে দিল্লীৰ সৈতে সংযুক্ত কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি একতা উৎসৱ- **এটা কণ্ঠ, এখন ৰাষ্ট্ৰ**ত ভাষণ দি শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে পৰ্যটনৰ পৰা প্ৰযুক্তিলৈ, ক্ৰীড়াৰ পৰা মহাকাশলৈ প্ৰতিটো ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰিছে। তেওঁ কয়, যে এন ডি এ চৰকাৰৰ দিনত উত্তৰ-পূৰ্বাঞ্চলত হিংসাত্মক ঘটনা ৭০ শতাংশ আৰু হিংসাত্মক ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৮৫ শতাংশ হ্ৰাস পোৱাৰ লগতে অঞ্চলটোলৈ শান্তি ঘূৰি আহিছে আৰু সাংস্কৃতিক

বিকাশো হৈছে। উত্তৰ-পূৰ্বাঞ্চলক অষ্টলক্ষ্মীৰূপে উপস্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশত অঞ্চলটোক নতুন পৰিচয় দিছে বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। তেওঁ কয়, যে অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ পৰা ক্ৰীড়া, শিক্ষা, কৃষি আৰু উৎদ্যমশীলতালৈকে প্ৰতিটো ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ প্ৰজন্মৰ বাবে অপাৰ সুযোগৰ দ্বাৰ মুকলি কৰাৰ উদ্দেশ্যে কাম কৰা হৈছে। শ্ৰীশ্বাহে কয়, যে উত্তৰ-পূৰ্বাঞ্চল সমগ্ৰ দেশৰ বাবে চহকী ঐতিহ্যৰ অমূল্য সম্পদ স্বৰূপ। সমগ্ৰ দেশে উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহ্যক লৈ গৌৰৱ অনুভৱ কৰে বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ-পূৰ্বাঞ্চল অবিহনে ভাৰত আৰু ভাৰত অবিহনে উত্তৰ-পূৰ্বাঞ্চল আধৰুৱা। তেওঁ কয়, যে ২০১৪ চনৰে পৰা উত্তৰ-পূৰ্বাঞ্চলত চাৰে ১০ হাজাৰৰো অধিক উগ্ৰবাদীয়ে অস্ত্ৰ সম্বৰণ কৰিছে আৰু ২০১৯ৰ পৰা ২০২৪ চনৰ ভিতৰত অঞ্চলটোত ১২ খনকৈ শান্তি চুক্তি সম্পাদিত হৈছে। তেওঁ কয়, যে অঞ্চলটোত কেইবা দশক ধৰি বিবাদ চলি আছিল কিন্তু মোদী চৰকাৰে দুখোজ আগবঢ়াই যুৱ প্ৰজন্মক তেওঁলোকৰ বাবে ভালেমান সুযোগ উপলব্ধ বুলি বিশ্বাস জন্মায় আৰু বিবাদসমূহৰ সমাধান কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে হিংসাত লিপ্ত হৈ থকা যুৱক-যুৱতীসকলক অস্ত্ৰ সম্বৰণ কৰি মূল সুঁতিলৈ ঘূৰি আহিবলৈ আহ্বান জনায়। শ্ৰীশ্বাহে কয়, যে দেশত সকলোৰে বাবে খেল, উৎকৰ্ষ সাধনৰ বাবে খেল-ধেমালি-  ক্ৰীড়াৰ বিকাশৰ নতুন মন্ত্ৰ ৰূপে পৰিগণিত হৈছে। আছাম ৰাইফলছে উত্তৰ-পূব সামাজিক কল্যাণ সংস্থাৰ সহযোগত আয়োজন কৰা একতা উৎসৱৰ বিষয়ে আলোকপাত কৰি শ্ৰীশ্বাহে কয়, যে দিল্লীত আয়োজন কৰা এই পাঁচদিনীয়া উৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ একতা আৰু সাংস্কৃতিক প্ৰাচুৰ্যক প্ৰতিফলিত কৰিছে। অনুষ্ঠানত গৃহমন্ত্ৰীগৰাকীয়ে বিভিন্ন ক্ষেত্ৰত সাফল্য অৰ্জন কৰা কেইবাগৰাকীও ব্যক্তিক পুৰস্কাৰ প্ৰদান কৰে।

০০০০০

ভাৰতীয় ৰে'লৱেই মহাকুম্ভ মেলাৰ অন্তিম সপ্তাহত যাত্ৰীৰ সমাগম নিয়ন্ত্ৰণৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। ইয়াৰ বাবে বিভিন্ন ষ্টেচনত প্লেটফৰ্মৰ বাহিৰত আছুতীয়া অঞ্চলৰ ব্যৱস্থা কৰা হৈছে। যাৰ দ্বাৰা যাত্ৰীৰ অহা-যোৱা আৰু ভিৰ নিয়ন্ত্ৰণ কৰিব পৰা যাব। ৰে'লৰ নিৰ্ধাৰিত সময় অনুসৰিহে যাত্ৰীসকলক প্লেটফৰ্মত প্ৰৱেশৰ অনুমতি দিয়া হ'ব বুলিও স্পষ্ট কৰি দিয়া হৈছে। যোৱা শনিবাৰে নতুন দিল্লী ৰে'লৱে ষ্টেচনত হোৱা হেঁচা-ঠেলাৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত অযোধ্যা, বাৰানসী, গাজিয়াবাদ, নতুন দিল্লী আৰু আনন্দ বিহাৰকে ধৰি প্ৰধান ষ্টেচনসমূহত এনে আছুতীয়া অঞ্চলৰ ব্যৱস্থা কৰাৰ লগতে ৰে'লৱে সুৰক্ষা বাহিনীৰ জোৱান মোতায়েন কৰা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ্ জয়শংকৰে বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ জটিলতা, কেন্দ্ৰীভূত যোগান শৃংখলা, ব্যৱসায় আৰু বাণিজ্যক অস্ত্ৰ হিচাপে ব্যৱহাৰ তথা তথ্য প্ৰৱাহৰ স্বচ্ছতাক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে। দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অনুষ্ঠিত জি-টুৱেণ্টি বিদেশ মন্ত্ৰী সন্মিলনত কালি তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তা আৰু বৈদ্যুতিক বাহন, মহাকাশ, ড্ৰ'ন বা সেউজ হাইড্ৰ'জেনৰ পাৰ্থক্যমূলক বিকাশে ভূ-ৰাজনৈতিক প্ৰভাৱৰ দিশবোৰ স্পষ্ট কৰে।

গোলকীয় ঘাটি বন্ধ কৰিবলৈ বহুপক্ষবাদৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰি তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা কম অস্বচ্ছ বা একপক্ষীয় হ'ব লাগিব আৰু গোলকীয় বিষয়বোৰ মুষ্টিমেয় একাংশৰহে স্বাৰ্থ বা হিতৰ বিষয় হ'ব নালাগিব। তেওঁ জোৰ দিয়ে যে, মতানৈক্য বিবাদলৈ, বিবাদ সংঘাতলৈ আৰু সংঘাত বিভাজনলৈ ৰূপান্তৰ হ'ব নালাগে। শ্ৰীজয়শংকৰে লগতে কয়, যে পশ্চিম এছিয়া অঞ্চলত

শান্তি বৰ্তাই ৰখটো সমগ্ৰ বিশ্বৰ বাবে গুৰুত্বপূৰ্ণ। ইপিনে ইউক্ৰেইনৰ সংঘৰ্ষ সন্দৰ্ভত তেওঁ মন্তব্য কৰে যে ভাৰতে সদায় আলোচনা আৰু কূটনীতিৰ পোষকতা কৰি আহিছে।

০০০০০

ইপিনে, মন্ত্ৰীগৰাকীয়ে কালি জোহান্সবাৰ্গত ৰাছিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী সৰ্গেই লাৱৰোভক সাক্ষাৎ কৰে। দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰত-ৰাছিয়াৰ দ্বিপাক্ষিক সম্পৰ্কৰ নিৰন্তৰ অগ্ৰগতিৰ দিশটো পৰ্যালোচনা কৰে। সামাজিক মাধ্যমযোগে ড° জয়শংকৰে প্ৰকাশ কৰে, যে ইউক্ৰেইনৰ সংঘৰ্ষৰ শেহতীয়া পৰিস্থিতিৰ বিষয়টোৰেও আলোচনাত স্থান পায়। মন্ত্ৰীগৰাকীয়ে দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি ছিৰিল ৰামফোছাকো কালি সাক্ষাৎ কৰে। দক্ষিণ আফ্ৰিকাৰ জি-টুৱেণ্টি অগ্ৰাধিকাৰৰ বিষয়টোত ভাৰতে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলিও ড° জয়শংকৰে আশ্বাস দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৯৮ সংখ্যক অখিল ভাৰতীয় মাৰাঠী সাহিত্য সন্মিলনৰ উদ্বোধন কৰিব। তিনিদিনীয়া সন্মিলনখনত আলোচনা চক্ৰ, গ্ৰন্থ প্ৰদৰ্শনী, সাংস্কৃতিক অনুষ্ঠান বিভিন্ন প্ৰখ্যাত সাহিত্যিকৰ সৈতে অন্তৰংগ আলাপ আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানে মাৰাঠী সাহিত্যৰ চহকী ঐতিহ্য আৰু প্ৰাসংগিকতা তথা ভাষা সংৰক্ষণ, অনুবাদ, সাহিত্য কৰ্মৰ ওপৰত ডিজিটেল ৰূপ প্ৰদানৰ প্ৰভাৱ সন্দৰ্ভত আলোকপাত কৰিব। ৭১ বছৰৰ পাছত ৰাষ্ট্ৰীয় ৰাজধানীত আয়োজিত এই সন্মিলনত পুনেৰ পৰা দিল্লীলৈ এটা প্ৰতিকী সাহিত্যিক ৰে'লযাত্ৰাও অন্তৰ্ভুক্ত কৰা হৈছে। এহেজাৰ দুশগৰাকী অংশগ্ৰহণকাৰীৰ উপস্থিতিত এই সন্মিলনত এহেজাৰ ৮০০ কবিতা পঞ্চাশখন গ্ৰন্থ মুকলি আৰু ১০০ খন গ্ৰন্থ বিপণী আদি অন্যতম আকৰ্ষণ হ'ব।

উল্লেখযোগ্য যে, চৰকাৰে অলপতে মাৰাঠীক ধ্ৰুপদী ভাষাৰ মৰ্দযা প্ৰদান কৰিছিল।

০০০০০

কংগ্ৰেছে দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াক প্ৰভাৱিত কৰাৰ বাবে ষড়যন্ত্ৰ ৰচনা কৰা আৰু বিদেশী ধন ব্যৱহাৰ কৰা বুলি বিজেপিয়ে অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ জ্যেষ্ঠ নেতা ৰবীশংকৰ প্ৰসাদে এই বুলি দাবী কৰে যে, ভাৰতলৈ ইউ এছ্ এইড পুঁজি যোগান সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে অলপতে কৰা মন্তব্যৰ পৰা ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিষয় সম্পৰ্কে কৰা দাবী শুদ্ধ বুলি প্ৰমাণিত কৰিছে। শ্ৰীপ্ৰসাদে লগতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বাৰে বাৰে দেশৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াত বিদেশী হস্তক্ষেপৰ আহ্বান জনোৱা বুলি অভিযোগ তোলে।

০০০০০

ভাৰতে আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। ভাৰতে যোৱানিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত বাংলাদেশক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২২৮ ৰান কৰে। বাংলাদেশৰ হৈ তৌহিদ হৃদয়ে ১০০ আৰু জাকেৰ আলীয়ে ৬৮ ৰান কৰে। ভাৰতৰ হৈ মহম্মদ ছামিয়ে ৫টা উইকেট দখল কৰে। হৰ্ষিত ৰাণাই তিনিটা আৰু অক্ষৰ পেটেলে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ভাৰতে শুভমন গিলৰ ১০১ ৰানৰ সহায়ত ৪৬ অভাৰ আৰু ৩টা বলত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। গিলক প্লেয়াৰ অব দ্যা মেচ

হিচাপে ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি বিয়লি পাকিস্তানৰ কৰাচীত হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত আফগানিস্তান দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

পংকজ আদৱানীয়ে দোহাত অনুষ্ঠিত চতুৰ্দশ এছিয়ান স্নুকাৰ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। খেলুৱৈগৰাকীয়ে এই জয়ৰ সুবাদত একেটা ক্ৰীড়াবৰ্ষত ৰাষ্ট্ৰীয়, এছিয়ান আৰু বিশ্ব স্নুকাৰ চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰি অভূতপূৰ্ব সাফল্য অৰ্জন কৰাৰ দিশে অগ্ৰসৰ হৈছে। বিলিয়াৰ্ডছত ইতিমধ্যে এই কৃতিত্ব অৰ্জন কৰা খেলুৱৈগৰাকীয়ে এনে কৰিবলৈ সক্ষম হ'লে দুয়োটা শিতানত এই সাফল্য অৰ্জন কৰা একমাত্ৰ খেলুৱৈ ৰূপে পৰিগণিত হ'ব। পংকজ আদৱানীয়ে এতিয়ালৈকে এছিয়ান স্নুকাৰ প্ৰতিযোগিতাৰ ৫টা আৰু এছিয়ান বিলিয়াৰ্ডছ প্ৰতিযোগিতাৰ ৯টা খিতাপ অৰ্জন কৰিছে। ইয়াৰ উপৰি পংকজে এছিয়ান গেমছত দুটাকৈ সোণৰ পদক লাভ কৰিছে।

ooooo

**সমাপ্ত**